**ভাৰতৰ বিত্তাধীশ আৰু হিচাপ পৰীক্ষক (Comptroller and Auditor General of India) ঃ**

মণ্টেগ' আৰু চেমছ্‌ফ'ৰ্ড সংস্কাৰ আইনৰ আধাৰত ১৯১৯ চনত আৰু হিচাপ-পৰীক্ষকৰ পদ সৃষ্টি কৰা হয়। ভাৰতৰ ৰাষ্ট্ৰ সচিব (Secretary of the State for India)ৰ দ্বাৰা এই বিষয়াক নিয়োগ কৰা হৈছিল। হিচাপ-পৰীক্ষা আৰু হিচাপ বিভাগৰ তেওঁৱেই মুৰব্বী আছিল। তেওঁ ভাৰত চৰকাৰৰ অধীনত নাছিল, কিয়নো ইংলেণ্ডৰ ৰজাৰ অনুগ্ৰহ লাভ কৰি থকালৈকেহে তেওঁ পদৰ অধিকাৰী হৈ থাকিব পাৰিছিল। ভাৰতৰ প্ৰশাসনৰ খৰচৰ হিচাপ-পৰীক্ষাৰ প্ৰতিবেদন প্ৰতি বছৰে তেওঁ ৰাষ্ট্ৰ সচিবৰ ওচৰত

Scanned by CamScanner

দাখিল কৰিব লাগে। ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনে হিচাপ-পৰীক্ষক পদক সাংবিধানিক স্বীকৃতি প্ৰদান কৰি পদটোৰ মৰ্যাদা অধিক উচ্চ কৰি তোলে। এই বিষয়াজনৰ নিয়োগৰ দায়িত্ব ৰজাৰ হাতত অৰ্পণ কৰা হয়। যুক্তৰাষ্ট্ৰৰ ন্যায়ালয়ৰ ন্যায়ধীশ আৰু বিত্তাধীশ আৰু হিচাপ-পৰীক্ষক প্ৰধান সমপৰ্যায়ৰ হয়। স্বাধীন ভাৰতত নতুন সংবিধানে এই পদৰ মৰ্যাদা আৰু অধিক উচ্চ কৰে। এই পদক বিত্তাধীশ আৰু হিচাপ-পৰীক্ষক প্ৰধান হিচাপে নামকৰণ কৰা হয়। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ দৰে তেৰোঁ এজন সাংবিধানিক বিষয়া হৈ পৰিল।

স্বাধীন ভাৰতত বিত্তাধীশ আৰু হিচাপ-পৰীক্ষক প্ৰধান ভাৰতৰ হিচাপ-পৰীক্ষা আৰু হিচাপ বিভাগৰ মুৰব্বী হয়। ভাৰতৰ সংবিধান অনুসৰি তেওঁ এজন অতি গুৰুত্বপূৰ্ণ বিষয়া হৈ পৰে। চৰকাৰী নিধিৰ তেৱেঁই অভিভাৱক হয় আৰু এনে নিধিৰ পৰা যাতে কোনো ধন সংসদৰ বিনা অনুমোদনত ব্যয় কৰা নহয় তাৰ প্ৰতি দৃষ্টি ৰখা তেওঁৰ অন্যতম দায়িত্ব বুলি ক'ব পাৰি। সকলো গুৰুত্বপূৰ্ণ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ বাবে বিত্তাধীশ আৰু হিচাপ পৰীক্ষকৰ পদটো কাৰ্যপালিকাৰ পৰা স্বাধীন কৰি ৰখা হয়। এই পদৰ স্বতন্ত্ৰতা ৰক্ষাৰ বাবে সংবিধানত ১৪৭ নং অনুচ্ছেদত ব্যৱস্থাৱলী কৰা হৈছে।

সংবিধানৰ ১৪৮ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰপতিয়ে তেওঁৰ কাৰ্যালয়ৰ মোহৰ আৰু স্বাক্ষৰ থকা অধিপত্ৰ (Warrent under his hand and seal)-ৰ দ্বাৰা বিত্তাধীশ আৰু হিচাপ-পৰীক্ষক প্ৰধানৰ নিযুক্তি দিয়ে। উচ্চতম ন্যায়ালয়ৰ দৰে একে ধৰণৰ অভিযোগৰ ভিত্তিত আৰু একে পদ্ধতিৰে তেওঁক অপসাৰণ কৰিবও পাৰি।

বিত্তাধীশ আৰু হিচাপ-পৰীক্ষক প্ৰধান হিচাপে নিয়োজিত প্ৰাৰ্থীয়ে কাৰ্যভাৰ লোৱাৰ আগতে শপত গ্ৰহণ কৰিব লাগে। ৰাষ্ট্ৰপতি অথবা তেওঁক নিয়োগ কৰা বিষয়াৰ আগত এনে ধৰণৰ শপত গ্ৰহণ কৰা হয়।

তেওঁৰ দৰ্মহা আৰু কৰ্ম চৰ্তসমূহ সংসদে আইনৰ জৰিয়তে নিৰ্ধাৰণ কৰে আৰু তেওঁৰ দৰ্মহা, কৰ্মচৰ্ত বা অন্যান্য অধিকাৰসমূহ তেওঁৰ কাৰ্যকালত সংশোধিত নহয়। তেওঁৰ দৰ্মহা উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ অথবা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ দৰ্মহাৰ সৈতে সমপৰিমাণৰ হয়। ১৯৫৩ চনত সংসদে আইনৰ জৰিয়তে বিত্তাধীশ আৰু হিচাপ-পৰীক্ষকৰ কাৰ্যকাল ৬ বছৰ কৰে। অৱসৰ লোৱাৰ পিছত বিত্তাধীশ আৰু হিচাপ-পৰীক্ষক প্ৰধানে ভাৰত চৰকাৰ তথা অসম চৰকাৰৰ অধীনত কোনো ধৰণৰ পদ গ্ৰহণ কৰিব নোৱাৰে।

সংবিধানৰ ১৪৯ নং অনুচ্ছেদ অনুসৰি কেন্দ্ৰ, ৰাজ্য আৰু আন নিকায়ৰ হিচাপ সম্পৰ্কীয় বিত্তাধীশ আৰু হিচাপ পৰিষদৰ কৰ্তব্য আৰু দায়িত্বসমূহ সংসদে আইনৰ জৰিয়তে নিৰ্ধাৰণ কৰে। ১৫০ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰপতিৰ অনুমোদনক্ৰমে বিত্তাধীশ আৰু হিচাপ-পৰীক্ষক প্ৰধানে প্ৰদান কৰা প্ৰ-পত্ৰতহে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে হিচাপ ৰাখিব পাৰে। ১৫১ নং অনুচ্ছেদ মতে বিত্তাধীশ আৰু হিচাপ-পৰীক্ষক প্ৰধানৰ প্ৰতিবেদন



ৰাষ্ট্ৰপতিৰ জৰিয়তে সংসদৰ উভয় সদনত উত্থাপন কৰা হয়। ঠিক সেইদৰে ৰাজ্যৰ ক্ষেত্ৰত এনে প্ৰতিবেদন সংশ্লিষ্ট ৰাজ্যপালে ৰাজ্যিক বিধানমণ্ডলত উপস্থাপন কৰে। কাৰ্যপালিকাৰ যিকোনো অযুক্তিকৰ কাৰ্য বিত্তাধীশ আৰু হিচাপ-পৰীক্ষক প্ৰধানে সংসদৰ দৃষ্টিগোচৰ কৰিব পাৰে। ৰাষ্ট্ৰৰ বিত্তীয় প্ৰশাসনৰ ওপৰত সমীক্ষা কৰাৰ কৰ্তৃত্বও এওঁক প্ৰদান কৰা হয়। সংসদৰ প্ৰতি থকা কাৰ্যপালিকাৰ দায়িত্ব বিত্তাধীশ আৰু হিচাপ-পৰীক্ষক প্ৰধানৰ প্ৰতিবেদনৰ ভিত্তিত সুনিশ্চিত কৰা হয়।

সংসদে অনুমোদন কৰা বিনিয়োজনৰ পৰিমাণতকৈ ব্যয়ৰ পৰিমাণ অধিক নহয়, সকলো ব্যয় যাতে নীতি অনুসৰি হয় আদি কাৰ্যসমূহ বিত্তাধীশ আৰু হিচাপ-পৰীক্ষক প্ৰধানে সমাধান কৰিব লাগে। ব্যয়ৰ ক্ষেত্ৰত বিশ্বাসযোগ্যতা আৰু মিতব্যয়িতা যাতে পালন কৰা হয় তাৰ প্ৰতিও তেওঁ লক্ষ্য ৰাখিব লাগে। এই দায়িত্ব পালন কৰিবলৈ যাওঁতে তেওঁ ধনৰ অপচয়, অপব্যৱহাৰ আদি পোহৰলৈ আনিব পাৰে।

সংবিধান বা আইন উলংঘন হোৱা কোনো ধৰণৰ ব্যয়ত অনুমোদন প্ৰদান নকৰাটো তেওঁৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব বুলি ক'ব পাৰি। যোগ্য কৰ্তৃপক্ষই দিয়া অনুমোদনৰ যুক্তিযুক্ততা পৰীক্ষা কৰা যি উদ্দেশ্যৰ বাবে ধন অনুমোদন কৰা হয়, সেই উদ্দেশ্য সাধনত যাতে ধন ব্যয় হয় তাৰ প্ৰতি চোকা দৃষ্টি ৰখা বিত্তাধীশ আৰু হিচাপ-পৰীক্ষক প্ৰধানৰ অন্যতম দায়িত্ব বুলিব পাৰি। এই দায়িত্ব পালন কৰাৰ বাবে ব্যয় আৰু অনুমোদন অযুক্তিকৰ বুলি বিবেচনা কৰিলে সেই সম্বন্ধে মন্তব্য দিয়া আৰু আপত্তি কৰাৰ অধিকাৰ তেওঁৰ আছে।

**হিচাপ আৰু হিচাপ-পৰীক্ষা কাৰ্যৰ পৃথকীকৰণ (Separation of Accounts and Audit) ঃ** হিচাপ-ৰক্ষণ আৰু হিচাপ-পৰীক্ষা কাৰ্য একেটা কৰ্তৃপক্ষৰ হাতত ন্যস্ত কৰা কাৰ্য স্বাধীন ভাৰতত সমালোচনাৰ সন্মুখীন হোৱা দেখা যায়। এই ব্যৱস্থা ভাৰতৰ সাংবিধানিক নীতিৰ পৰিপন্থী বুলি বহুলোকে মত প্ৰকাশ কৰে। ৰাষ্ট্ৰৰ বিত্ত নিয়ন্ত্ৰণৰ সৰ্বোচ্চ দায়িত্ব সংবিধানে সংসদক প্ৰদান কৰিছে। সংসদে এই কৰ্তব্য ফলপ্ৰদভাৱে পালন কৰিবলৈ হ'লে স্বতন্ত্ৰ হিচাপ-পৰীক্ষা ব্যৱস্থাৰ অতি প্ৰয়োজন। ধন ব্যয় কৰা বিভাগসমূহে হিচাপ ৰখা উচিত আৰু এই হিচাপ পৰীক্ষা কৰাৰ দায়িত্ব সুকীয়া স্বতন্ত্ৰ প্ৰাধিকাৰক দিয়া উচিত। ইংলেণ্ডত এনে ধৰণৰ পৃথকীকৰণ ব্যৱস্থা আছে। সেই দেশত প্ৰতিজন মন্ত্ৰীৰ অধীনত একোজন হিচাপ-ৰক্ষণ বিষয়া থাকে। ধন পৰিশোধ, দাবী পৰীক্ষা আৰু হিচাপ ৰখাৰ দায়িত্ব এই বিষয়াজনৰ হাতত অৰ্পণ কৰা হৈছে। হিচাপ-পৰীক্ষা বিভাগটো সুকীয়া আৰু হিচাপ-ৰক্ষণ কাৰ্যৰ সৈতে এই বিভাগ জড়িত নহয়। পি.কে. ওৱাটাল (P.K. Wattal)-ৰ ভাষাত ক'বলৈ গ'লে, হিচাপ-ৰক্ষণ কাৰ্যপালিকাৰ কাম আৰু এই কামৰ নিয়ন্ত্ৰণৰ দায়িত্ব বিভাগীয় মুৰব্বীৰ হাতত অৰ্পণ কৰা হৈছে। হিচাপ-পৰীক্ষা হৈছে অৰ্ধ-সংসদীয় কাৰ্য। কাৰ্যপালিকাৰ কামৰ অনুসন্ধান আৰু পৰীক্ষা কৰি সংসদৰ মজিয়াত

Scanned by CamScanner

প্ৰতিবেদন দাখিল কৰা দায়িত্ব এই কাৰ্যৰ ভিতৰত অন্তৰ্ভুক্ত হৈ আছে। এনে বিপৰীতমুখী দুটা কাৰ্য এটা কৰ্তৃপক্ষৰ হাতত ন্যস্ত কৰাটো কাৰ্যপালিকা আৰু বিধানমণ্ডল দুয়োপক্ষৰ বাবেই সুবিধাজনক নহয়। কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ কাৰ্যসমূহ একেটা কৰ্তৃপক্ষৰ হাতত ন্যস্ত কৰিলে যিদৰে ক্ষতিকাৰক ঠিক সেইদৰে ইও অতি ক্ষতিকাৰক হৈ পৰে। প্ৰত্যেক আধুনিক ৰাষ্ট্ৰত হিচাপ-ৰক্ষণ আৰু হিচাপ-পৰীক্ষা এই দুয়োটা কাৰ্যৰ পৃথকীকৰণৰ ব্যৱস্থা কৰা প্ৰয়োজন হয়।

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ আগতে হিচাপ-ৰক্ষণ আৰু হিচাপ-পৰীক্ষাৰ সংযুক্ত ব্যৱস্থাৰ দোষসমূহ প্ৰতি ছাইমন আয়োগ (Siman Commission) আৰু ৱেলী আয়োগ (Welley Commission)-এ আঙুলিয়াই দিছিল। কোনো কোনো ৰাজ্যত পৃথকীকৰণ ব্যৱস্থা কৰা হৈছিল যদিও অধিক ব্যয় হোৱাৰ কাৰণবশতঃ পুনৰ আগৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ লয়। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত এই বিষয়টোৰ ওপৰত অতি বিস্তাৰিতভাৱে আলোচনা কৰা হয় আৰু এই দিশত সমালোচনা অতি প্ৰকট হৈ পৰে। আনকি বিত্তাধীশ আৰু হিচাপ-পৰীক্ষকসকলে নিজেই এই কাৰ্যসমূহ পৃথক কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ ধৰে।

১৯৫২ চনৰ চৰকাৰী হিচাপ সমিতিৰ তৃতীয় প্ৰতিবেদনত পৰামৰ্শ দান কৰি কয় যে হিচাপ-ৰক্ষণ আৰু হিচাপ-পৰীক্ষা দুয়োটা কাৰ্যৰ পৃথকীকৰণৰ ব্যৱস্থা কৰা উচিত। ধন পৰিশোধো হিচাপ-ৰক্ষণ কাৰ্যবাহী প্ৰাধিকাৰৰ প্ৰধান কাম। হিচাপ-পৰীক্ষাৰ দায়িত্ব যে স্বতন্ত্ৰ প্ৰাধিকাৰৰ হাতত ন্যস্ত কৰিব লাগে সেই সম্বন্ধে পণ্ডিতসকলৰ মাজত মতানৈক্য নাই।

হিচাপ-পৰীক্ষা বিভাগ আৰু হিচাপ ৰখা বিভাগ পৃথক কৰা বিষয়টো প্ৰশাসনীয় পুনৰগঠন সম্পৰ্কত আলোচনা কৰা হৈছিল। ৰেলৱে আৰু প্ৰতিৰক্ষা বিভাগত পৃথকভাৱে হিচাপ-ৰক্ষণ বিভাগ বা শাখা প্ৰতিষ্ঠা কৰা দেখা যায়। ভাৰতৰ প্ৰথম বিত্তাধীশ আৰু হিচাপ-পৰীক্ষক প্ৰধান নৰহৰি ৰাওৱে দুয়োটা কাৰ্য একেটা সংগঠনত ন্যস্ত কৰিলে উদ্ভৱ হোৱা অসুবিধাসমূহৰ বিষয়ে উল্লেখ কৰিছিল, তেওঁৰ মতে ব্যয় কৰা বিভাগসমূহ হিচাপ ৰখাৰ দায়িত্বত নথকাত বিত্তীয় কাৰ্যত বহুধৰণৰ খেলি-মেলিৰ সৃষ্টি হয়। ভাৰতৰ হিচাপ-পৰীক্ষা বিভাগৰ বাবেও হিচাপ-ৰক্ষণ কাৰ্য অপ্ৰাসঙ্গিক বুলি ক'ব পাৰি। সেইবাবে ৰাওৱে দুয়োটা কাৰ্য দুটা পৃথক বিভাগৰ হাতত অৰ্পণ কৰাৰ ওপৰত গুৰুত্ব দিয়ে। হিচাপ-পৰীক্ষা আৰু হিচাপ-ৰক্ষণৰ পৃথকীকৰণৰ সপক্ষে আৰু বিপক্ষে দাঙি ধৰা যুক্তিসমূহ হ'ল—

Scanned by CamScanner